**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2025
**Time:** 1205 Hrs

***Assamese Midday Bulletin***
HEADLINES

১। ৰাজ্যত পেট্ৰ'ল-ডিজেলৰ নাটনি হোৱা নাই বুলি মুখ্য সচিব ৰবি কোটাৰ প্ৰকাশ।
২। বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন।
৩। নিৰ্বাচনৰ বাবে প্ৰতিটো সমষ্টিত শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

আৰু

৪। অশোকাষ্টমী উপলক্ষে ব্ৰহ্মপুত্ৰৰ পাৰত অগণন লোকৰ সমাগম।

000000000

ৰাজ্যত পেট্ৰ'ল-ডিজেলৰ নাটনি হোৱা নাই আৰু এতিয়াও পৰ্যাপ্ত পৰিমাণৰ ইন্ধন ৰাজ্যখনত মজুত আছে। মুখ্য সচিব ৰবি কোটাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। তেওঁ কয়, যে তেল যোগানকাৰী প্ৰতিষ্ঠান আৰু ডিপুসমূহত পৰ্যাপ্ত পৰিমাণৰ ইন্ধন মজুত আছে। কালি নতুন দিল্লীত অনুষ্ঠিত সৰ্বদলীয় বৈঠকতো এই সন্দৰ্ভত প্ৰকাশ কৰা হয়। পেট্ৰ'ল ডিজেলৰ লগতে ৰন্ধন গেছো এতিয়ালৈকে পৰ্যাপ্ত পৰিমাণে মজুত আছে বুলি বৈঠকত প্ৰকাশ কৰা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক আতংকিত নহ'বলৈ আৰু উৰা বাতৰিত পতিয়ন নাযাবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে।

বাইট (চি এম)

0000000

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থীসকলৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। আজি বিয়লি ৩ বজা পৰ্যন্ত প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব।

ৰাজ্যৰ মুঠ ১২৬টা বিধানসভা সমষ্টিত মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ অন্তত ৭৮৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। দুগৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে অভিযোগ - প্ৰতি অভিযোগৰ পৰিপ্ৰেক্ষিতত মনোনয়ন পত্ৰৰ পৰীক্ষা স্থগিত ৰখা শোণিতপুৰৰ ঢেকীয়াজুলি সমষ্টিৰ দুয়োগৰাকীৰে মনোনয়ন কালি বৈধ বুলি ঘোষণা কৰা হয়। ২৪ নম্বৰ বৰপেটা সমষ্টিত এখন মনোনয়ন পত্ৰ বাতিল কৰা হৈছে আৰু ৩ খন বৈধ বিবেচিত হৈছে।

0000000

বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিটো সমষ্টিতে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সৰ্থেবাৰীত আয়োজিত এখন প্ৰচাৰ

সভাত অংশ লয়। তেওঁ বজালী আৰু মঙলদৈত বিজেপিৰ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি লামডিঙত দলীয় প্ৰাৰ্থী শিবু মিশ্ৰ আৰু হোজাইত দলীয় প্ৰাৰ্থী শিলাদিত্য দেৱৰ হৈ প্ৰচাৰত ভাগ লয়। ইয়াৰ আগেয়ে ড° শৰ্মাই নগাঁও বটদ্ৰৱা বিধানসভা সমষ্টিত বিজয় সংকল্প সভাতো অংশ লয়।

বিজেপি আৰু কংগ্ৰেছে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব। ২৯ মাৰ্চ, ২ এপ্ৰিল আৰু ৭ এপ্ৰিলত গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কথা। একেদৰে ২৯ আৰু ৩০ মাৰ্চত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কেইবাখনো নিৰ্বাচনী সভাত অংশ ল'ব বুলি জানিব পৰা গৈছে।

কংগ্ৰেছেও কেইবাগৰাকী তাৰকা-প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেলকে ধৰি ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

0000000

কামৰূপ জিলাৰ আমিনগাঁৱত আজি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই জিলাখনৰ নিৰ্বাচনী শুভংকৰ মুকলি কৰে। জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি উৎসাহিত কৰি তোলাৰ উদ্দেশ্যে এই শুভংকৰ মুকলি কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

0000000

নিৰ্বাচন আয়োগে অসম বিধানসভা নিৰ্বাচনত সকলোধৰণৰ EXIT POLL আৰু মতামত সমীক্ষা প্ৰচাৰত নিষেধাজ্ঞা জাৰি কৰিছে। জনপ্ৰতিনিধিত্ব আইন, ১৯৫১-ৰ সংশ্লিষ্ট ধাৰা অনুসৰি এনেধৰণৰ সমীক্ষা প্ৰচাৰ বা প্ৰকাশ কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অহা ৯ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা ২৯ এপ্ৰিলৰ সন্ধিয়া চাৰে ৬ বজালৈ ছপা অথবা বৈদ্যুতিন মাধ্যমত নিৰ্বাচন সম্পৰ্কত সমীক্ষা প্ৰকাশ বা প্ৰচাৰ কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ইয়াৰ উপৰি ভোটগ্ৰহণৰ ৪৮ ঘণ্টাৰ পূৰ্বে যিকোনো বৈদ্যুতিন মাধ্যমত নিৰ্বাচন সম্পৰ্কীয় বিষয়বস্তুৰ প্ৰচাৰ, মতামত সমীক্ষা, সমীক্ষাৰ ফলাফল প্ৰদৰ্শন আদি নিষিদ্ধ কৰা হৈছে। নিৰ্বাচন মুক্ত, নিকা আৰু নিৰপেক্ষভাৱে অনুষ্ঠিত কৰিবলৈ সকলো সংবাদ প্ৰতিষ্ঠান আৰু সংশ্লিষ্ট পক্ষক এই নিৰ্দেশনা মানি চলিবলৈ ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে আহ্বান জনাইছে। উল্লেখযোগ্য যে কালি ৰাজ্যৰ জিলা নিৰ্বাচনী বিষয়া, জ্যেষ্ঠ আৰক্ষী অধীক্ষক, আৰক্ষী অধীক্ষক আৰু আৰক্ষী আয়ুক্তসকলৰ সৈতে নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰে। আয়োগৰ জ্যেষ্ঠ বিষয়াই জিলাসমূহৰ আইন-শৃংখলা পৰিস্থিতি আৰু নিৰ্বাচন পৰিচালনাৰ দিশসমূহৰ বুজ লয়। আয়োগে সকলো নিৰ্বাচনী বিষয়াকে ভোটগ্ৰহণৰ পাঁচদিন পূৰ্বে ভোটদাতাৰ তথ্য সম্বলিত কাগজ বিতৰণ কৰিবলৈ নিৰ্দেশ দিছে। দৃষ্টিহীন ভোটদাতাসকলৰ বাবে ব্ৰেইলী পদ্ধতিৰ তথ্য সম্বলিত কাগজ দিবলৈও কোৱা হৈছে। তদুপৰি ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সা-সুবিধা ৰখাৰো নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

নিৰ্বাচন আয়োগে অসমত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ সময়ছোৱাত ৪৮ ঘণ্টাজুৰি সুৰা নিষিদ্ধ ঘোষণা কৰাৰ বাবে ৰাজ্যৰ মুখ্য সচিবক নিৰ্দেশ দিছে। এই অনুসৰি ৭ এপ্ৰিলৰ বিয়লি ৫ বজাৰ পৰা ভোটগ্ৰহণৰ দিনা অৰ্থাৎ ৯ এপ্ৰিলৰ বিয়লি ৫ বজালৈ মজুত আৰু সৰবৰাহ নিষিদ্ধ কৰা হৈছে। ইয়াৰ লগতে ৪ মে'ৰ ভোটগণনাৰ দিনটোতো সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। জনপ্ৰতিনিধিত্ব আইন ১৯৫১-ৰ ১৩৫ (গ) ধাৰা অনুসৰি আয়োগে এই সময়ছোৱাত কোনোধৰণৰ নিচাযুক্ত দ্ৰব্যৰ বিক্ৰী, সৰবৰাহ আৰু হোটেল, ৰেস্তোঁৰাকে ধৰি বিভিন্ন স্থানত ইয়াৰ ব্যৱহাৰতো নিষেধাজ্ঞা আৰোপ কৰিছে।

আয়োগে লগতে নিৰ্বাচনৰ ৰিটাৰ্নিং বিষয়া আৰু সহকাৰী ৰিটাৰ্নিং বিষয়াসকলক ভোটগণনাৰ দিনা ম'বাইল ফোন লৈ যোৱাৰ ক্ষেত্ৰতো কেতবোৰ চৰ্ত আৰোপ কৰিছে। এইক্ষেত্ৰত ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়াক উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে। ইলেক্ট্ৰনিকেলি ট্ৰান্সমিটেড প'ষ্টেল বেলট মেনেজমেণ্ট চিষ্টেমৰ ব্যৱহাৰৰ বাবে ৰিটাৰ্নিং বিষয়াসকলৰ ম'বাইল ফোনত এটা অ' টি পি দিবলৈ কোৱা হৈছে। এই ব্যৱস্থাৰ সৈতে অ' টি পিৰ সহায়ত সংযোগ কৰা ম'বাইল ফোনটোহে গণনাকক্ষলৈ নিবলৈ অনুমতি দিয়া হ'ব বুলি আয়োগে প্ৰকাশ কৰিছে। তদুপৰি ম'বাইল ফোন ব্যৱহাৰকাৰীসকলে এখন স্পষ্টীকৰণত স্বাক্ষৰ কৰিব লাগিব বুলি কোৱা হৈছে।

শিৱসাগৰৰ জিলা আয়ুক্ত মৃদুল যাদৱে বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ জিলাখনতে বলৱৎ হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। শিৱসাগৰ জিলাৰ অন্তৰ্গত হোটেল, ভোজনালয়, পণ্যাগাৰ, দোকান বা অন্য ৰাজহুৱা তথা ব্যক্তিগত স্থানত সকলোধৰণৰ নিচাযুক্ত দ্ৰব্য বিক্ৰী, বিতৰণ আৰু মজুতকৰণ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে।

০০০০০০০

আজি অশোকাষ্টমী। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত মৃতকৰ অস্থি আৰু পিণ্ড দান কৰিবলৈ ব্ৰহ্মপুত্ৰৰ পাৰত অগণন লোকৰ সমাগম হৈছে। ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰতো পুৱাৰেপৰা বহু লোকৰ সমাগম হৈছে। পুৱাৰে পৰা হাজাৰ হাজাৰ ভক্তই বৰলুইতৰ পাৰত স্নানৰ বাবে উপস্থিত হৈছে। অশোকাষ্টমীৰ দিনটোত সনাতন ধৰ্মৰ লোকসকলে ধৰ্মীয় নীতি-নিয়ম ৰক্ষা কৰি স্নান কৰাৰ পৰম্পৰা চলি আহিছে। ধুবুৰীৰ বিভিন্ন প্ৰান্তৰ লগতে পশ্চিমবংগ, বিহাৰৰ অসংখ্য ভক্তৰ আগমনত ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰ তীৰ্থস্থানত পৰিণত হৈছে। অশোকাষ্টমী স্নানৰ লগত সংগতি ৰাখি প্ৰতি বছৰৰ দৰেই এইবাৰো আজিৰেপৰা ধুবুৰীত ১৫-দিনীয়া অশোকাষ্টমী মেলা অনুষ্ঠিত হৈছে। অৱশ্যে নিৰ্বাচনৰ বাবে তিনিদিন মেলা বন্ধ ৰখা হ'ব। মেলাখনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে চুবুৰীয়া পশ্চিমবংগৰ ব্যৱসায়ীসকলেও অস্থায়ী বিপণীৰ জৰিয়তে অংশগ্ৰহণ কৰিছে।

কামৰূপ জিলাৰ শুৱালকুছিত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে পৰম্পৰাগতভাৱে অশোকাষ্টমী মেলা অনুষ্ঠিত হৈছে। লগতে উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত দেৱালয়ৰ উদ্যোগত আয়োজিত মেলাত ব্ৰহ্মপুত্ৰৰ পাৰত থকা বিষ্ণুকুণ্ডত অস্থি আৰু পিণ্ড বিসৰ্জন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা যাত্ৰীসকলে পুৱাৰেপৰা ব্ৰহ্মপুত্ৰৰ পাৰত ভিৰ কৰা পৰিলক্ষিত হৈছে।

০০০০০০০

ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰি নদীৰ মাজৰ ঢকুৱাখনাৰ চাৰিকৰীয়া নৈৰ পাৰৰ মহঘুলি চাপৰিৰ স্থায়ী বাকৰিত অহা ৮, ৯ আৰু ১০ মে'ত ফাট বিহুৰ আয়োজন কৰা হৈছে। ঢকুৱাখনা ৰাজহুৱা খেলপথাৰৰ সমীপৰ ফাট বিহু উদ্‌যাপন সমিতিৰ কাৰ্যালয় কালি অভিনেত্ৰী প্ৰস্তুতি পৰাশৰে উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি অভিনেত্ৰীগৰাকীয়ে ফাট বিহু অসমৰ সংস্কৃতিক জগতৰ অনন্য আৰু আকৰ্ষণীয় অনুষ্ঠান বুলি উল্লেখ কৰে।

0000000

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° উৎপল দাসৰ আজি পুৱা গুৱাহাটীত দেহাৱসান ঘটে। গ্ৰন্থাগাৰিকগৰাকীৰ মৃত্যুত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যকে ধৰি সমূহ বিষয়া-কৰ্মচাৰীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

0000000

## সমাপ্ত